# লাংহিন মানিকপুৰ অঞ্চলৰ কৃষকৰ সাফল্যৰ কাহিনী

অলপতে কাৰ্বিআংলং জিলাৰ অন্তৰ্গত লাংহিন মানিকপুৰ অঞ্চলৰ শ্ৰীৰূপেন নাৰ্জাৰী নামৰ এগৰাকী লোকক লগ পাই তেখেতৰ পৰা উক্ত অঞ্চলটোৰ খেতি-বাতি সম্পৰ্কে জানিব বিচৰাত তেখেতে এনেদৰে কয় - ‘লাংহিন মানিকপুৰ অঞ্চল বুলি ক’লে মানিকপুৰ, গণেশ পথাৰ ১ ম খণ্ড, গণেশ পথাৰ ২ য় খণ্ড, টিলাপাৰা, টিলাপাৰা ১ ম খণ্ড, বাস্কামাৰী, দৈদাক, বাসুগাওঁ, জামুগুৰি, শান্তিপুৰ আৰু বাঁহবাৰী গাওঁসমূহৰ পৰা যোৱা ইং ১৯৯৮ চনৰ আগলৈকে এক বিস্তৃত অঞ্চল স্থানীয় জাতৰ ধানৰ বীজ আৰু আওপুৰণি কৃষি পদ্ধতিৰে কৃষকসকলে খেতি-বাতি কৰি উৎপাদন লাভ কৰিছিল বিঘাই প্ৰতি প্ৰায় ৭-৮ মোন পৰ্য্যন্ত।

কিন্তু ১৯৯৮ চনত যেতিয়া অঞ্চলটোত পথাৰ পৰিচালনা সমিতি গঠন হ’বলৈ ধৰিলে, তেতিয়াৰ পৰা ক্ৰমানুসাৰে অঞ্চলটোত এক পৰিৱৰ্তনে দেখা দিলে। অসম কৃষি বিশ্ববিদ্যালয়ৰ দ্বাৰা উদ্ভাৱিত ৰঞ্জিত, বাহাদুৰ, মাচুৰি, আই.আৰ.৫৬, পংকজ আৰু আঘোণী বৰা ধানৰ উন্নত জাতৰ বীজ আৰু ৰাসায়নিক সাৰ ব্যৱহাৰ কৰাৰ ফলত আগৰ ৭-৮ মোনৰ ঠাইত বিঘাই প্ৰতি ২০-২৫ মোন পৰ্য্যন্ত ধান উৎপাদন কৰিবলৈ সক্ষম হ’ল। লাংপি দেহাঙ্গী, গাঁৱলীয়া বেংকৰ সৌজন্যত সহজ লভ্যত কাম সুদত কৃষকে হ্ৰস্বকালীনভাৱে শালী খেতিৰ বতৰত কৃষি ঋণ পথাৰ পৰিচালনা সমিতিৰ মাধ্যমেৰে লাভ কৰিলে। প্ৰথম বছৰতে প্ৰায় ২ লাখতকৈ অধিক ঋণ লাভ কৰিলে আৰু খেতি চপোৱাৰ পিছত উক্ত সমুদায় ঋণ আনুষ্ঠানিকভাৱে বেংক কৰ্তৃপক্ষক পৰিশোধ কৰিলে। এতিয়া প্ৰতি বছৰে ঋণৰ পৰিমাণ বৃদ্ধি হৈ যোৱা বছৰ শালি বতৰত লাংহিন মানিক পুৰেইনহয়, নেগাওঁ, ডকমকা, ফুলনি, হাওৰাঘাট ধেন্তাঘাট, পশ্চিম কাৰ্বিআংলংকে ধৰি গোটেই জিলাখনত প্ৰায় ৫০ লাখতকৈ অধিক পৰিমাণৰ ঋণ লাভ কৰিবলৈ সক্ষম হ’ল। সাধাৰণতে বেংকৰ পৰা ঋণ ল’লে চৰকাৰৰ ধণ বুলি কৃষকে ঋণ পৰিশোধ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। সমাজত সুদূৰপ্ৰসাৰী এক বদনাম আছে। এই ক্ষেত্ৰত ই এক ব্যতিক্ৰম। আমাৰ ইয়াত ঋণ পৰিশোধ কৰাটো বাধ্যতামূলক কৰা হৈছে। যিহেতু পথাৰ পৰিচালনা সমিতিৰ বান্ধোনত ঋণ পাব, গতিকে একে বান্ধোনকে ঋণ পৰিশোধ কৰাটোও বাধ্যতামূলক। ইয়াৰ ফলত বেংকসমূহে ঋণ আদি দিয়াত কোনো ধৰণৰ গাফিলতি অথবা কৃপণালি নকৰা হৈছে।

এইখিনিতে শলাগ নলৈ নোৱাৰি একো একোজন ব্যক্তিৰ ত্যাগ সু-নেতৃত্বৰ কথা। তেখেতৰ নেৰানেপেৰা প্ৰচেষ্টাতেই লাংহিন মানিকপুৰ অঞ্চলৰ পৰা আৰম্ভ কৰি জিলাখনৰ প্ৰায়বোৰ অঞ্চলেই এতিয়া আগবাঢ়িবলৈ লৈছে। বিশেষকৈ কৃষকসকলৰ মাজত সজাগতা বৃদ্ধি, উন্নত কৃষি পদ্ধতিৰ প্ৰশিক্ষণ, চেমিনাৰ আৰু সময়ে সময়ে সময়ে কৃষকসকলক উলিয়াই নি গুৱাহাটীৰ কাঁহিকুছি উদ্যান গৱেষণা কেন্দ্ৰ, ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠান, ডিফু আঞ্চলিক কৃষি গৱেষণা প্ৰতিষ্ঠানৰ লগত সম্পৰ্ক স্থাপন আৰু বিভিন্ন দিশত কৃষকসকলক প্ৰশিক্ষণপ্ৰাপ্ত কৰাত অভিজ্ঞ হৈ পৰিছে। তেখেতে ইতিমধ্যে ২০০১ চনত মাণ্ডলিকভাৱে কৃষি বিভাগৰ পৰা প্ৰথম পুৰস্কাৰ লাভ কৰিছে। এই গৰাকী ব্যক্তিয়েই হৈছে লাংহিন মানিকপুৰ অঞ্চলৰ টিলাপাৰা গাঁৱৰ এগৰাকী প্ৰগতিশীল শিক্ষিত যুৱক খেতিয়ক। নিজৰ খেতি-বাতি পৰিচালনা কৰাৰ উপৰিও লাংহিন মানিকপুৰ আঞ্চলিক পথাৰ পৰিচালনা সমিতিৰ সভাপতি পদৰ পৰা উন্নীত হৈ কাৰ্বিআংলং জিলাৰ পথাৰ পৰিচালনা সমিতিৰ বৰ্তমানৰ সভাপতি শ্ৰীসুভন চন্দ্ৰ গয়াৰী। তেখেতৰ বলিষ্ঠ নেতৃত্বত আৰু কৃষক ৰাইজৰ পূৰ্ণ সহায় সহযোগত ই সম্ভৱ হৈছে। ইয়াৰ ফলত লাংহিন মানিকপুৰ অঞ্চল তথা জিলাখনত এক নতুন বাতাবৰণ গঢ় লৈ উঠিছে। এতিয়া আৰু কৃষকসকলে ব্যক্তিগত মহাজনৰ পৰা অধিক সুদত ঋণ ল’বলগীয়া নহয়।

শ্ৰীৰূপেন নাৰ্জাৰীয়ে আনন্দৰে তেখেতৰ মনৰ ভাৱ প্ৰকাশ কৰি কয় যে যদিও মই প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰো, কিন্তু খেতি-বাতিৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত থাকো। এই ক্ষেত্ৰত ব্যক্তিগতভাৱে মই উপকৃত হোৱাৰ লগতে অঞ্চলটো তথা অৰ্থনৈতিকভাৱে অনগ্ৰসৰ জিলাখনৰ কৃষক ৰাইজ যথেষ্ট উপকৃত হৈছে।

***(Source : Mahesh Ch. Gogoi, Sadou Asom Pathar Parichalana Samittee)***